**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'নক সাক্ষাৎ কৰিব।

২। কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ গান্ধীনগৰত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সমবায় মন্ত্ৰীসকলৰ সৈতে হ'বলগীয়া এখন উচ্চ পৰ্যায়ৰ মন্থন বৈঠকত অধ্যক্ষতা কৰিব।

৩। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ চি বি এছ ইয়ে এই বছৰ আৰম্ভ হোৱা দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাৰ যোগ্যতাৰ নিয়ম সন্দৰ্ভত স্পষ্টিকৰণ জাৰি কৰিছে।

৪। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি ঢাকাত বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে বি এন পিৰ অধ্যক্ষ তাৰিক ৰহমানৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। *আৰু*

৫। টি-২০ ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাৰ এখন খেলত কালি শ্ৰীলংকাই অষ্ট্ৰেলিয়াক হৰুৱাই ছুপাৰ এইটত স্থান নিশ্চিত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'নক সাক্ষাৎ কৰিব। বৈঠকত সময়ত দুয়োগৰাকী নেতাই ভাৰত আৰু ফ্ৰান্সৰ কৌশলগত অংশীদাৰিত্ব সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ওপৰতো মত বিনিময় কৰিব। ৰাষ্ট্ৰপতি মেক্ৰ'নে **এ আই ইম্পেক্ট** সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে তিনিদিনীয়া কাৰ্যসূচীৰে আজি ভাৰতত উপস্থিত হ'ব। এয়া হ'ব ৰাষ্ট্ৰপতি মেক্ৰ'নৰ চতুৰ্থ ভাৰত ভ্ৰমণ আৰু প্ৰথমটো মুম্বাই ভ্ৰমণ। আজি সন্ধিয়া দুয়োগৰাকী নেতাই ভাৰত-ফ্ৰান্স উদ্ভাৱন বৰ্ষ ২০২৬ উদ্বোধন কৰাৰ লগতে দুয়োখন দেশৰ ব্যৱসায়ী, ষ্টাৰ্টআপ, গৱেষক আৰু উদ্ভাৱকসকলক উদ্দেশি ভাষণ দিব।

০০০০০

কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ গান্ধীনগৰত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সমবায় মন্ত্ৰীসকলৰ সৈতে হ'বলগীয়া এখন উচ্চ পৰ্যায়ৰ মন্থন বৈঠকত অধ্যক্ষতা কৰিব। সমবায় মন্ত্ৰালয়ে জানিবলৈ দিয়া অনুসৰি এই বৈঠকত মন্ত্ৰালয়ে গ্ৰহণ কৰা মূল পদক্ষেপসমূহৰ সামগ্ৰিক পৰ্যালোচনা, প্ৰগতিৰ খতিয়ান, ৰাজ্যসমূহৰ অভিজ্ঞতা আৰু কাৰ্যপন্থাৰ আদান-প্ৰদান আৰু ভৱিষ্যতৰ বাবে সমন্বিত ৰূপৰেখা প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰা হ'ব। ইয়াৰ লগতে বৈঠকত ২ লাখ নতুন বহুমুখী প্ৰাথমিক কৃষি ঋণ সমিতি, দুগ্ধ আৰু মীন সমবায় সমিতিসমূহৰ গঠনৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱা হ'ব। উল্লেখযোগ্য যে তৃণমূল পৰ্যায়ত সমবায়সমূহক বিকাশ, নিয়োগৰ সুযোগ সৃষ্টি আৰু আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে এই মন্থন বৈঠকৰ আয়োজন কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ চি বি এছ ইয়ে এই বছৰ আৰম্ভ হোৱা দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাৰ যোগ্যতাৰ নিয়ম সন্দৰ্ভত স্পষ্টিকৰণ জাৰি কৰিছে। ব্যক্তিগত চিকিৎসা বা অন্যান্য কাৰণত প্ৰথমটো পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিলে দ্বিতীয় ব'ৰ্ড পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত শিক্ষাৰ্থী আৰু অভিভাৱককলৈ পৰিষদে নিৰ্দেশনা জাৰি কৰিছে। দশম শ্ৰেণীৰ প্ৰথম ব'ৰ্ড পৰীক্ষাত অৱতীৰ্ণ হোৱাটো সকলোৰে বাবে বাধ্যতামূলক বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। প্ৰথম পৰীক্ষাত তিনিটা বা তাতোকৈ অধিক বিষয়ত অৱতীৰ্ণ নোহোৱা শিক্ষাৰ্থীক দ্বিতীয় পৰীক্ষাৰ বাবে অযোগ্য বুলি বিবেচনা কৰা হ'ব। এনে শিক্ষাৰ্থীক অত্যাৱশ্যকীয় পুনৰাবৃত্তি শিতানত অন্তৰ্ভুক্ত কৰা হ'ব আৰু অহা বছৰৰ ফেব্ৰুৱাৰীত হ'বলগীয়া মূল পৰীক্ষাত এইসকল শিক্ষাৰ্থীয়ে এই বিষয়সমূহত অৱতীৰ্ণ হ'ব পাৰিব। পৰিষদে স্পষ্ট কৰি দিছে যে দ্বিতীয় পৰীক্ষাটো কেৱল বিশেষ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবেহে প্ৰযোজ্য হ'ব। প্ৰথমটো পৰীক্ষাত উত্তীৰ্ণ হৈ ফলাফল উন্নত কৰিব বিচৰা শিক্ষাৰ্থীয়ে পুনৰ উন্নতি শ্ৰেণীৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। বিজ্ঞান, গণিত, সমাজ বিজ্ঞান আৰু ভাষাকে ধৰি তিনিটা মূল বিষয়ৰ পৰীক্ষাত অৱতীৰ্ণ হৈ পুনৰ ফলাফল উন্নত কৰিব পাৰিব। যিসকল শিক্ষাৰ্থী উত্তীৰ্ণ হৈয়ো ফলাফল উন্নত কৰাৰ বাবে বিষয় সলনি কৰিব বিচাৰে তেওঁলোককো দ্বিতীয় পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে অনুমতি দিয়া হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুনকৈ উদ্বোধন কৰা প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ **সেৱা তীৰ্থত** প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দক সাক্ষাৎ কৰে। সামাজিক মাধ্যমত এটা প'ষ্টযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰাটো অতি আনন্দৰ মুহূৰ্ত। শ্ৰীকোবিন্দৰ সকলো বিষয়তে অন্তৰ্দৃষ্টি সদায় চিন্তাশীল আৰু সমৃদ্ধিশালী বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। লগতে সামাজিক মাধ্যমত এটা প'ষ্টত প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে নতুনকৈ উদ্বোধন কৰা প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ **সেৱা তীৰ্থত** প্ৰধানমন্ত্ৰী শ্ৰীমোদীক সাক্ষাৎ কৰি তেওঁ আনন্দিত হৈছে। এই ভৱনটোৱে সেৱা, মমতা, কৰ্তব্য আৰু দেশ প্ৰথম নীতি প্ৰতিফলিত কৰিছে বুলি শ্ৰীকোবিন্দে মন্তব্য কৰে। প'ষ্টত লগতে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীয়ে নাগৰিকসকলক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল কালি সন্ধিয়া অসমত উপস্থিত হয়। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত অহা ১২ জনীয়া দলটোক ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ লগতে কেইবাগৰাকীও বিষয়াই বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত আদৰণি জনায়। দলটোৱে আজি মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনা মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে কাইলৈ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে নিৰ্বাচনৰ বিভিন্ন বিষয় লৈ আলোচনা কৰিব। লগতে দলটোৱে কাইলৈ ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতে মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। কাইলৈ বিয়লি দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি ঢাকাত বাংলাদেশৰ প্ৰধানমন্ত্ৰী হিচাপে বিএনপিৰ অধ্যক্ষ তাৰিকে ৰহমানৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব । বৈদেশিক সচিব বিক্ৰম মিশ্ৰীও শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। চুবুৰীয়া দেশখনৰ শেহতীয়া সংসদীয় নিৰ্বাচনত বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ নেতৃত্বত গঠিত মিত্ৰজোঁটে জয়লাভ কৰিছিল। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে, এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত ওম বিৰলাৰ অংশগ্ৰহণে ভাৰত আৰু বাংলাদেশৰ জনসাধাৰণৰ মাজত গভীৰ আৰু চিৰস্থায়ী বন্ধুত্বক আলোকপাত কৰিছে আৰু দুয়োখন ৰাষ্ট্ৰক বান্ধি ৰখা গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি ভাৰতৰ অটল দায়বদ্ধতাক পুনৰ দৃঢ় কৰি তুলিছে। বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰে ভাৰত, চীন, চৌদি আৰব, মালয়েছিয়া, শ্ৰীলংকাকে ধৰি **১৩**খন দেশৰ চৰকাৰৰ প্ৰতিনিধিক শপত গ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনাইছে। বাংলাদেশৰ জাতীয় সংসদ ভৱনত আজি নৱনিৰ্বাচিত সাংসদ সকলেও শপত গ্ৰহণ কৰিব। উল্লেখযোগ্য যে শেহতীয়া সংসদীয় নিৰ্বাচনত বিএনপি নেতৃত্বাধীন মিত্ৰজোঁটে **২১২**খন আসন লাভ কৰাৰ বিপৰীতে জামাত-ই-ইছলামী নেতৃত্বাধীন মিত্ৰজোঁটে **৭৭**খন আসন লাভ কৰিছিল।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু তেওঁৰ ফ্ৰান্সৰ সমকক্ষ কেথেৰিন ভ'ট্ৰিনে আজি বেংগালুৰুত ষষ্ঠ ভাৰত-ফ্ৰান্স বাৰ্ষিক প্ৰতিৰক্ষা বৈঠকত মিলিত হ'ব। দেশ দুখনৰ দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ পৰ্যালোচনা কৰাৰ লগতে বৈঠকত ঔদ্যোগিক সহযোগিতা সম্প্ৰসাৰণৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হ'ব। আজিৰ বৈঠকতে আগন্তুক **১০** বছৰৰ বাবে প্ৰতিৰক্ষা সহযোগিতা চুক্তি নবীকৰণ কৰাৰ সম্ভাৱনা আছে। প্ৰতিৰক্ষা মন্ত্ৰীদ্বয়ৰ উপস্থিতিত হামাৰ ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ বাবে যৌথ উদ্যোগৰ এখন বুজাবুজি চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় সেনা আৰু ফ্ৰান্সৰ স্থল বাহিনী বিষয়াৰ পাৰস্পৰিক নিয়োগ সন্দৰ্ভতো আলোচনা হোৱাৰ সম্ভাৱনা আছে। মন্ত্ৰী দুগৰাকীয়ে কৰ্ণাটকৰ ভেমাগালত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনে টাটা এয়াৰবাছৰ এইচ ওৱান টুৱেন্টি ফাইভ লাইট ইউটিলিটি হেলিকপ্টাৰৰ 'ফাইনেল এছেম্বলী' ভাৰ্চুৱেলী উদ্বোধনৰো সাক্ষী হোৱাৰ সম্ভাৱনা আছে।

২০২৪-২০২৫ বৰ্ষত ধাৰাবাহিকভাৱে উচ্চ পৰ্যায়ৰ বিনিময়ৰ জৰিয়তে দেশ দুখনৰ শক্তিশালী আৰু চিৰস্থায়ী দ্বিপাক্ষিক সম্পৰ্ক স্পষ্টভাৱে প্ৰতিফলিত হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ২০২৩ চনৰ জুলাই মাহত বেষ্টিল ডে পেৰেডত সন্মানীয় অতিথি হিচাপে উপস্থিত আছিল। ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকীয়েও ২০২৪ চনত গণৰাজ্য দিৱসৰ পেৰেডত মুখ্য অতিথি হিচাপে অংশ্ৰগ্ৰহণ কৰিছিল। ২০২৫ চনৰ ১২ অক্টোবৰত ফ্ৰান্সৰ প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ পিছত এইটোৱেই হ'ব কেথেৰিন ভ'ট্ৰিনৰ প্ৰথমটো ভাৰত ভ্ৰমণ।

০০০০০

নতুন দিল্লীত আজি অনুষ্ঠিত হ'বলগীয়া ভাৰত **এ আই ইম্পেক্ট** সন্মিলনত দুটা ৰাষ্ট্ৰীয় পদক্ষেপ কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই উদ্বোধন কৰিব। এই পদক্ষেপসমূহৰ ভিতৰত আছে দেশৰ বাবে স্বাস্থ্য সেৱাত কৃত্ৰিম বুদ্ধিমত্তা কৌশল আৰু স্বাস্থ্য সেৱাত কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে বেন্সমাৰ্কিং অপেন ডাটাৰ মঞ্চ। দেশক শক্তিশালী, দায়িত্বশীল আৰু গোলকীয় প্ৰতিযোগিতামূলক স্বাস্থ্য কৃত্ৰিম বুদ্ধিমত্তা পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ ক্ষেত্ৰত এই দুই পদক্ষেপ অতি উল্লেখনীয়।

০০০০০

নতুন দিল্লীত আজিৰে পৰা অনুষ্ঠিত হ’বলগীয়া **ভাৰত এ আই ইম্পেক্ট** সন্মিলনত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে বিশেষ অধিবেশনৰ আয়োজন কৰিছে। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু শিক্ষা ৰাজ্য মন্ত্ৰী জয়ন্ত্ চৌধাৰীয়ে এই অধিবেশনত অংশগ্ৰহণ কৰিব। শিক্ষাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিৱৰ্তনশীল সম্ভাৱনা ব্যৱহাৰ কৰাৰ বিষয়ে এই অধিবেশনত গুৰুত্ব আৰোপ কৰা হ’ব। মন্ত্ৰালয়ে এই অধিবেশন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দৃষ্টিভংগী আৰু বিকশিত ভাৰত ২০৪৭ৰ লক্ষ্যৰ সৈতে মিল থকা বুলি উল্লেখ কৰিছে। বিগত দশকত মন্ত্ৰালয়ে ডিজিটেল মঞ্চ, নীতিৰ পৰিকাঠামো, প্ৰতিষ্ঠানসমূহৰ সংস্কাৰ, বিদ্যালয় শিক্ষা, উচ্চ শিক্ষা, দক্ষতা, গৱেষণা আৰু উদ্ভাৱনৰ দৰে ক্ষেত্ৰসমূহত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ কৰিছে। অধিবেশনত দেশৰ ৰাজহুৱা ডিজিটেল আন্তঃগাঁথনি, উৎকৰ্ষতা কেন্দ্ৰ, শিক্ষকৰ প্ৰশিক্ষণ, উদ্যোগ, ষ্টাৰ্টআপ আদিত আলোকপাত কৰা হ’ব।

ooooo

টি-টুৱেন্টি ক্ৰিকেট বিশ্বকাপত কালি কেনডি পাললেকেলে আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত শ্ৰীলংকাই অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ছুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰিছে। খেলখনত ১৮অভাৰ আৰু দুটা বলত মাত্ৰ দুটা উইকেটৰ বিনিময়ত শ্ৰীলংকাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। শ্ৰীলংকাৰ হৈ পাথুম নিসাংকাৰে ৫২ টা বলত শতক অৰ্জন কৰে আৰু কুসল মেণ্ডিচে ৫১ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰা অষ্ট্ৰেলিয়াৰ হৈ অ’পেনাৰ মিচেল মাৰ্ছ আৰু ট্ৰেভিছ হেডে দ্ৰুত অৰ্ধশতক অৰ্জন কৰিছিল। অৱশ্যে শ্ৰীলংকাই মিডল অভাৰত অষ্ট্ৰেলিয়াৰ ৯ টা উইকেট দখল কৰি ১৮১ ৰানত সীমাবদ্ধ কৰি ৰাখে। খেলখনত শ্ৰীলংকাৰ হৈ দুষান হেমন্তাই তিনিটা উইকেট আৰু দুষমন্ত চমীৰণাই দুটা উইকেট দখল কৰে। পাথুম নিছাংকাক প্লেয়াৰ অৱ দ্য মেচ সন্মান প্ৰদান কৰা হয়।

কলকাতাৰ ইডেন গাৰ্ডেনত অনুষ্ঠিত গ্ৰুপ চি পৰ্যায়ৰ আন এখন খেলত কালি ইংলেণ্ডে ইটালীক ২৪ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ইংলেণ্ডে ২০৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। প্ৰত্যুত্তৰত ইটালীয়ে নিৰ্ধাকিত ২০ অভাৰত ১৭৮ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। খেলখনত প্ৰথমে বেট ধৰি ইংলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২০২ ৰান সংগ্ৰহ কৰিছিল।

ইয়াৰ পূৰ্বে নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত আফগানিস্তানে গ্ৰুপ ডিৰ আন এখন খেলত সংযুক্ত আৰব আমিৰশ্বাহীৰ বিৰুদ্ধে পাঁচ উইকেটৰ বিনিময়ত জয়লাভ কৰি প্ৰতিযোগিতাখনৰ প্ৰথমটো জয় পঞ্জীয়ন কৰে। আফগানিস্তানে ১৯অভাৰ আৰু ২টা বলত ৫টা উইকেটৰ বিনিময়ত ১৬১ ৰানৰ লক্ষ্য ভেদ কৰে। প্ৰতিযোগিতাত আজি গ্ৰুপ ডিৰ এখন খেলত নিউজিলেণ্ডে পুৱা ১১ বজাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কানাডাৰ বিৰুদ্ধে খেলিব। দ্বিতীয়খন খেলত পালেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত আয়াৰলেণ্ডে জিম্বাবুৱেৰ বিৰুদ্ধে খেলিব। মুম্বাইৰ ৱানখেড় ষ্টেডিয়ামত আন এখন গ্ৰুপ চি মেচত নেপাল স্কটলেণ্ডৰ মুখামুখি হ’ব।

ooooo

সমাপ্ত